# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 14-NOV-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ অকাজানত অনুষ্ঠিত জন সমাবেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক চেক প্ৰদান কৰে। এই আঁচনিৰ অধীনত চিচিবৰগাওঁ বিধানসভা সমষ্টিত ৩ হেজাৰ ৩৭০ টা আত্মসহায়ক গোটৰ ৩৪ হাজাৰ ৪৪৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ লক্ষ্য হিচাপে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে ধৰি আন বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে জীৱিকাৰ বিকল্প সম্ভাৱনাৰ প্ৰয়াস কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে সাংসদ প্ৰদান বৰুৱা, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে।

চিলাপথাৰৰ অকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত বিশাল জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আঁচনিখনক এখন ভাল আঁচনি বুলি অভিহিত কৰি এইদৰে কয়ঃ

বাইট ঃ মুখ্যমন্ত্ৰী

ইপিনে, এই আঁচনিৰ অধীনত কালি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। মহিলা সৱলীকৰণৰ কাৰণে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপে বিগত চাৰি বছৰৰ পাছত ৰাজ্যৰ মহিলা উদ্যমীসকলক আত্মনিৰ্ভৰ কৰাত বিশেষ অৰিহণা যোগাইছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি ডিব্ৰুগড়ৰ বুঢ়িদিহিং নদীৰ মথাউৰিৰ গৰাখহনীয়া প্ৰতিৰোধ কাৰ্যৰ শুভাৰম্ভ কৰে। নাবাৰ্ডৰ ৫ কোটি আৰু অইল ইণ্ডিয়া লিমিটেডৰ চাৰে চাৰি কোটি টকাৰ পুঁজিৰে মথাউৰিৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী পিযুষ হাজৰিকাই কয় যে মথাউৰি মেৰামতি কাৰ্য সম্পূৰ্ণ হ'লে টিপাম তথা সমীপৱৰ্তী অঞ্চলৰ ৰাইজৰ জীৱনৰ মান উন্নত হোৱাৰ লগতে অঞ্চলটোৰ ৰাইজ সুৰক্ষিত হৈ থাকিব। মন্ত্ৰী হাজৰিকাই কয় যে বুঢ়িদিহিং আৰু ব্ৰহ্মপুত্ৰৰ সংযোগ স্থানৰ খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰি জন-ধনৰ সুৰক্ষাৰ বাবে কাম কৰিছে। নিৰ্দিষ্ট সময়ত এই কাৰ্য সম্পন্ন হৈ উঠিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত বিধায়ক জিতু গোস্বামী আৰু তৰংগ গগৈও উপস্থিত থাকে।

ooooo

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজীৰ গোগামুখৰ গাৰ্লছ হাইস্কুলত এটা প্ৰশাসনীয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অনুদানেৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰশাসনিক ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ আৰু পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যসকল উপস্থিত থাকে। প্ৰশাসনীয় ভৱনৰ আধাৰশিলাৰ লগতে অহা বৰ্ষৰ

২০, ২১ আৰু ২২ মাৰ্চত বিদ্যালয়খনত হ'বলগীয়া সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ অংশ হিচাপে মন্ত্ৰী ডাঃ পেগুৱে লাইখুটা স্থাপন অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

০০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰীলৈ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো শিশু দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে  শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ড° শৰ্মাই শিশু পৃথিৱীৰ আটাইতকৈ প্ৰিয়তম উপহাৰ বুলি মন্তব্য কৰি প্ৰতিটো শিশুৰ কুশল কামনা কৰে।

**ডিব্ৰুগড় জিলাৰ** আটাইকেইখন শিক্ষানুষ্ঠানতে শিশু দিৱস পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰাৰ লগতে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধা জনায়। **কাৰ্বি আংলং জিলাৰ** ডিফুৰ ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰি এই দিৱস পালন কৰে। ইয়াৰ লগতে অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীসকলে জনতাৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীত **মায়াবিনী** শীৰ্ষক গীতটো পৰিৱেশন কৰি প্ৰয়াত শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

**বিশ্বনাথ জিলাৰ** গহপুৰৰ ৰজাবাৰীত দুদিনীয়া কাৰ্যসূচীৰে শিশু দিৱস পালন কৰা হৈছে। শিশুসকলৰ প্ৰতিভা বিকাশৰ লক্ষ্যৰে ত্ৰিবেনী মইনা পাৰিজাতৰ উদ্যোগত আজি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

গোৱালপাৰা জিলাৰ শিক্ষানুষ্ঠানসমূহতো আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিশু দিৱস পালন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন প্ৰচিযোগিতা অনুষ্ঠিত হয়। বলদমাৰীৰ বালাৰভিটাপাৰা প্ৰাথমিক বিদ্যালয়ত শিশুসকলৰ মাজত বক্তৃতা প্ৰতিযোগিতাৰ মাজতে সংগীত আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়।

তিনিচুকীয়া জিলাৰ ৰজাগড় মৌকোঁহ মইনা পাৰিজাতৰ সৌজন্যত শিশু দিৱস উপলক্ষে জিলাভিত্তিত ১১ ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যৰ সকলো বিদ্যালয়তে শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

সমাপ্ত